# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 26**-08-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**:::::::::::::::::::::::::::::::::::::**

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰা এটা উপলক্ষ্য। ভগৱান শ্ৰীকৃষ্ণৰ পূজা-অৰ্চনাই মানৱ জাতিক সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায় বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীকৃষ্ণৰ কৃপা দৃষ্টিয়ে সকলোৰে জীৱনলৈ সুখ আৰু শান্তিৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে জন্মাষ্টমী উলহ-মালহেৰে পালন কৰা পৰিলক্ষিত হৈছে। সত্ৰপীঠ মাজুলীত পুৱাৰ পৰাই নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। মাজুলীৰ ৩৫ খন সত্ৰ আৰু ৩ শতাধিক নামঘৰত উলহ-মালহেৰে জন্মাষ্টমী পালন কৰা হয়। জন্মাষ্টমী উপলক্ষে মাজুলীৰ কেইবাখনো শিক্ষানুষ্ঠানত কৃষ্ণ নৃত্য, দিহা নাম আদি বিভিন্ন কাৰ্যসূচী আয়োজিত হয়। বৰপেটা জিলাৰ সৰভোগৰ গৰখীয়া গোসাঁই থানৰ লগতে বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু পাটবাউসী সত্ৰত সত্ৰীয়া ৰীতি-নীতিৰে জন্মাষ্টমী পালন কৰা হয়। বৰপেটা সত্ৰত কৃষ্ণৰ জন্ম আৰু শিশু কৃষ্ণৰ লীলা পৰিৱেশন কৰা হয়। সৰভোগৰ গৰখীয়া গোসাঁই থানত আজি হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত শ্ৰী কৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। ধুবুৰী জিলাতো জন্মাষ্টমীৰ ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। জিলাখনৰ ৰামৰাইকুটি, জিনকাটা সত্ৰৰ লগতে নামঘৰসমূহত জন্মাষ্টমী পালন কৰা হৈছে। পশ্চিমবংগৰ মধুপুৰ সত্ৰতো জন্মাষ্টমী উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। ধেমাজিৰ কাছাৰী ময়দানত জন্মাষ্টমী উপলক্ষে দুই সহস্ৰাধিক শিশুৱে গায়ন-বায়ন, দিহা নাম, ভোৰটাল নৃত্য, কৃষ্ণ নৃত্য আদি পৰিৱেশন কৰে। উত্তৰ-পূব শিশু বিকাশ কেন্দ্ৰ, উত্তৰ-পূৰ্বাঞ্চল লোক কল্যাণ সমিতি আৰু বিশ্ব হিন্দু পৰিষদৰ যৌথ উদ্যোগত আয়োজিত জন্মাষ্টমীৰ এই কাৰ্যসূচীত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিধায়ক ভূৱন পেগু উপস্থিত থাকে।

বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলাৰ উদ্যোগত নলবাৰীৰ হৰি মন্দিৰত আয়োজন কৰা জন্মাষ্টমী উৎসৱত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰি ধৰ্মধ্বজা উত্তোলন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ধৰ্মীয় শোভাযাত্ৰাতো অংশগ্ৰহণ কৰে। আনহাতে, নলবাৰী জিলাৰ উলাবৰীৰ পাগলাদিয়া নৈত জন্মাষ্টমী উপলক্ষে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিভিন্ন প্ৰান্তৰ ১০ খন নাৱে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

০০০০০০০০

যোৰহাট জিলাত কৃষি বিষয়া কাৰ্যালয়ৰ এটা দলে আজি জিলাখনৰ বিভিন্ন অঞ্চলত চৰহা পোকে নষ্ট কৰা কৃষিভূমি পৰিদৰ্শন কৰে। কৃষি বিভাগৰ দলটোৰ তৰফৰ পৰা কৃষকৰ মাজত কীটনাশক ঔষধ বিতৰণ

কৰাৰ লগতে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে সংহত কীট নিয়ন্ত্ৰণ পদ্ধতি প্ৰচাৰ কৰা হয়। দলটোৱে খেতি অনিষ্ট হোৱা এলেকাত উপস্থিত হৈ কৃষকৰ পৰা ক্ষয়-ক্ষতিৰ বুজ লয় আৰু সকলো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

oooooooo

তিনিচুকীয়া জিলাৰ ডুমডুমা এফ আৰ ইউৰ সংলগ্ন ২০ খন বিছনাযুক্ত আছুতীয়া ভৱন আজি উদ্বোধন কৰা হয়। বিধায়ক ৰূপেশ গোৱালাই নৱনিৰ্মিত এই ভৱনটো উদ্বোধন কৰে। এই ভৱনটোৰ জৰিয়তে বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৰাইজ উপকৃত হ’ব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।

oooooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি কাৰ্বি আংলঙৰ ডিফুত বিভাগটোৰ লগতে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দুয়োটা বিভাগত কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। এই সভাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে আন বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

oooooooo

এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে সকলো সম্প্ৰদায়ৰ মাজত শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰাখিবলৈ ৰাজ্যবাসীলৈ আহ্বান জনাইছে। এ আই ইউ ডি এফৰ এটা সঁজাতি দলে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক ৰাজ ভৱনত সাক্ষাৎ কৰি এই সন্দৰ্ভত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উজনি অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ এটা শ্ৰেণীৰ সুৰক্ষাৰ বাবে ৰাজ্যপালগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ বিচাৰি স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

oooooooo

বিজেপি প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে। আজি দুয়োগৰাকীয়ে ৰিটাৰ্নিং বিষয়াৰ পৰা জয়ী হোৱাৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে বিৰোধীয়ে প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীক আজি বিজয়ী ঘোষণা কৰা হয়।

oooooooo

ঃসমাপ্তঃ